অধ্যায় ১ ঃ বিত্তীয় ব্যৱস্থাৰ প্ৰকৃতি আৰু ভূমিকা

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ বিত্তৰ ধাৰণা

১.৪ বিত্তৰ বৈশিষ্ট্যসমূহ

১.৫ অৰ্থনীতিত বিত্তৰ ভূমিকা

১.৬ বিত্তৰ শ্ৰেণীবিভাগ

১.৭ বিত্তীয় ব্যৱস্থা আৰু ইয়াৰ উপাদানসমূহ

- ১.৭.১ বিত্তীয় মধ্যস্থতাকাৰী
- ১.৭.২ বিত্তীয় বজাৰ
- ১.৭.৩ বিত্তীয় আহিলা
- ১.৭.৪ বিত্তীয় সেৱা

১.৮ ইলেক্ট্ৰনিক বেংকিং — অৰ্থ আৰু বৈশিষ্ট্য

১.৯ স্বয়ংচালিত টেলাৰ যন্ত্ৰ (ATM)

১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.১১ অধিক জানিবলৈ

১.১২ অগ্ৰগতিৰ খতিয়ান

১.১৩ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বিত্তৰ সংজ্ঞা আগবঢ়াব পাৰিব
- অৰ্থনীতিত বিত্তৰ ভূমিকা নিৰ্ধাৰণ কৰিব পাৰিব
- বিভিন্ন ধৰণৰ বিত্তৰ বৰ্ণনা দিব পাৰিব
- বিত্তীয় ব্যৱস্থা আৰু ইয়াৰ উপাদানসমূহৰ ব্যাখ্যা আগবঢ়াব পাৰিব
- বিভিন্ন বিত্তীয় মধ্যস্থতাকাৰীৰ বিষয়ে আলোচনা কৰিব পাৰিব
- ইলেক্ট্ৰনিক বেংকিং আৰু এ টি এম (ATM) সেৱাৰ বিষয়ে জানিব পাৰিব।

১.২ পৰিচয় (INTRODUCTION)

এটা জাতিৰ অৰ্থনৈতিক উন্নতি নিৰ্ভৰ কৰে সঞ্চয় আৰু বিনিয়োগৰ হাৰৰ ওপৰত।

যেতিয়া আয় বৃদ্ধি হয়, তেতিয়া ইয়াৰে এটা অংশ সঞ্চয় কৰি তাৰ জৰিয়তে এটা সময়ত সেই সঞ্চয় উৎপাদন কাৰ্যত বিনিয়োগ কৰা হয়। এই বৃহৎ আকাৰৰ কাৰ্যপন্থা সফলতাৰে আগুৱাই নিবলৈ প্ৰয়োজন হয় সু-সংগঠিত বিত্তীয় ব্যৱস্থাৰ।

উদাৰীকৰণৰ আগমনে ১৯৯০-৯১ চনত বিত্তীয় ব্যৱস্থাক নতুনত্ব প্ৰদান কৰিবলৈ সক্ষম হৈছে। এই উপাদানসমূহৰ ভূমিকাই অৰ্থনৈতিক উন্নতিত গুৰুত্বপূৰ্ণ আসন লাভ কৰিছে।

এইটো অধ্যায়ত বিত্তৰ ভূমিকা, বিত্তৰ শ্ৰেণীবিভাগ, বিত্তীয় ব্যৱস্থা আৰু ইয়াৰ উপাদান, বিত্তীয় মধ্যস্থতাকাৰী, বিত্তীয় বজাৰ আৰু ইয়াৰ কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰা হ'ব। তদুপৰি ইলেক্ট্ৰনিক বেংকিং আৰু এ টি এম সেৱাৰ বিষয়েও এই অধ্যায়ত আলোচনা কৰা হ'ব।

১.৩ বিত্তৰ ধাৰণা (CONCEPT OF FINANCE)

তেজ নোহোৱাকৈ এজন মানুহ জীয়াই থাকিব পাৰিব বুলি আপুনি কল্পনা কৰিব পাৰিবনে? সাধাৰণ উত্তৰ 'নোৱাৰে'। ঠিক একেদৰেই বিত্ত অবিহনে অৰ্থনীতিৰ উন্নতি অসম্ভৱ। সকলো অৰ্থনীতিৰ জীৱন চালিকা হ'ল বিত্ত। আধুনিক মুদ্ৰা সম্বলিত অৰ্থনীতিত সকলো ধৰণৰ অৰ্থনৈতিক কাম-কাজৰ মূল ভেটি হ'ল বিত্ত। বিত্ত অবিহনে কোনো ব্যৱসায় আৰম্ভ নতুবা ইয়াৰ উন্নতি সাধন কৰা অসম্ভৱ। ব্যৱসায়ৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰে পৰ্যাপ্ত বিত্ত আৰু দক্ষ পৰিচালনাৰ ওপৰত। ব্যৱসায়ত বিত্তৰ প্ৰয়োগ আৰু ইয়াৰ অধ্যয়ন মানুহৰ বাবে প্ৰয়োজনীয় বিষয়। ইয়াৰ অৰ্থ হ'ল —

- মুদ্ৰা আৰু মৌদ্ৰিক সম্পত্তিৰ বিষয়ে চিন্তা।
- সেইবোৰ সম্পত্তিৰ পৰিচালনা আৰু নিয়ন্ত্ৰণ।
- কেনেকৈ মুদ্ৰাৰ নিয়ন্ত্ৰণৰ জৰিয়তে লাভ উপাৰ্জন কৰা হয় তাৰ চিন্তা-চৰ্চা কৰা।
- কেনেকৈ কোনো প্ৰকল্পত বিত্ত বিনিয়োগ কৰি লাভ আহৰণ কৰিব পাৰি।
- বিত্ত হ'ল ব্যৱসায়ৰ বাবে প্ৰয়োজনীয় মুদ্ৰা।

Horward আৰু Upton-ৰ মতে, 'বিত্ত হ'ল এটা সংগঠনৰ প্ৰশাসনিক কাৰ্য, যিটোৰ সম্পৰ্ক নগদ আৰু বাকীৰ লেনদেনৰ লগত, যাতে সংগঠনটোৱে যিমানদূৰ সম্ভৱ ইয়াৰ উদ্দেশ্যবোৰ সাধন কৰিবলৈ সক্ষম হয়।' সেয়েহে ইয়াক মুদ্ৰা বিজ্ঞান বুলি ক'ব পাৰি।

১.৪ বিত্তৰ বৈশিষ্ট্যসমূহ (FEATURES OF FINANCE)

বিত্ত বিষয়ক আলোচনাৰ পাছত বিত্তৰ কেইটামান বৈশিষ্ট্য তলত দাঙি ধৰা হ'ল—

- বিত্তই ব্যক্তি, ব্যৱসায় আৰু সংগঠনৰ শ্ৰীবৃদ্ধি কৰে। প্ৰকল্পবোৰৰ দায়িত্ব সামৰি লৈ কাৰ্য সমাধা কৰে।
- বিত্তৰ কাৰ্যাৱলী কৌশলগতভাৱে প্ৰয়োগ কৰা হয় যাতে কোনো ব্যক্তি বা ব্যৱসায়-সংগঠনৰ মুদ্ৰা সঠিকভাৱে ব্যৱহাৰ হয়। বিশেষকৈ আয় আৰু খৰচৰ পাৰ্থক্য আৰু সিঁহতৰ

বিনিয়োগৰ দায়িত্ব সামৰি লয়।

- বিত্ত গাইগুটীয়াভাৱে, চৰকাৰৰ দ্বাৰা, ব্যৱসায় বা নিগমৰ দ্বাৰা ব্যৱহাৰ হয়। বহুল অৰ্থত স্কুল-কলেজ বা অনা-ব্যৱসায়িক প্ৰতিষ্ঠান আদিতো ইয়াক ব্যৱহাৰ কৰা হয়।
- বিত্ত হ'ল— ব্যৱসায় প্ৰতিষ্ঠান এটাৰ পৰিচালনাৰ প্ৰধান উপাদান। বিত্তীয় পৰিকল্পনাবিহীন ব্যৱসায় প্ৰতিষ্ঠান এটাই কৃতকাৰ্যতা লাভ কৰিব নোৱাৰে। গাইগুটীয়া বা সংগঠন আদিত মুদ্ৰাৰ পৰিচালনা দৰকাৰী বিষয়।
- বিত্ত পৰিচালনাৰ দ্বাৰা কেনেকৈ মুদ্ৰা আহৰণ কৰিব পৰা যায় নতুবা মুদ্ৰা ব্যৱহাৰে কেনেকৈ ব্যৱসায়ত লাভ বা লোকচান আনে এই সকলোবোৰ বিত্তৰ পদ্ধতিগত অধ্যয়নৰ দ্বাৰা জানিব পাৰি।

১.৫ অৰ্থনীতিত বিত্তৰ ভূমিকা (ROLE OF FINANCE IN AN ECONOMY)

অৰ্থনীতিত বিত্তৰ ভূমিকা যথেষ্ট পৰিমাণে আছে। অৰ্থনীতিত বিত্তই কেনেকৈ অৰিহণা যোগাই তাৰ বিষয়ে তলত উল্লেখ কৰা হ'ল—

(ক) বিত্তই জমাকাৰী আৰু বিনিয়োগকাৰীসকলৰ সমাজত যোগসূত্ৰ স্থাপন কৰে। ইয়াৰ ফলত ৰাহি খণ্ডৰ (Surplus) পৰা ঘাটি খণ্ডলৈ (Deficit) পুঁজিৰ সৰবৰাহ হয়।

(খ) বিত্তই অহৰহভাৱে কাৰীকৰি কৌশল উন্নত কৰাত সহায় কৰে।

(গ) বিত্তই কেৱল প্ৰকল্প নিৰ্বাচন কৰাতে সীমাবদ্ধ নাথাকি প্ৰকল্প গঠনৰ জৰিয়তে বিনিয়োগকাৰীসকলৰ ধন পৰিচালনা কৰি উদ্যোক্তাক উৎসাহিত কৰে।

(ঘ) বস্তু নাইবা সেৱাৰ বিনিময়ত বিত্তৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। ভৌগোলিক পৰিসীমা অতিক্ৰম কৰি ঔদ্যোগিক লেনদেন বা অৰ্থনৈতিক সম্পদৰ হস্তান্তৰ আদি বিত্তৰ মাধ্যমেৰে হয়।

(ঙ) এখন দেশৰ অৰ্থনৈতিক উন্নয়ন নিৰ্ভৰ কৰে সেই দেশৰ সু-সংবদ্ধ বিত্তীয় ব্যৱস্থাৰ ওপৰত। কিয়নো বিভিন্ন সা-সামগ্ৰীৰ উৎপাদন তথা সেৱা খণ্ডক প্ৰয়োজন হোৱা বিত্তৰ সৰবৰাহ দেশৰ বিত্তীয় ব্যৱস্থাৰ পৰাই আহে।

(চ) দেশৰ অৰ্থনৈতিক পৰিৱৰ্তনৰ ক্ষেত্ৰত বিশেষভাৱে আৰু সামগ্ৰিকভাৱে অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানিক ব্যৱস্থা (Institutional arrangement) হিচাপে বিত্তীয় ব্যৱস্থাৰ অধীনস্থ বিত্তৰ ভূমিকা অতি মহান।

(ছ) সঞ্চয়কাৰী আৰু বিনিয়োগকাৰী উভয়ৰে মাজত সু-সমন্বয় স্থাপন কৰি মূল্যৱান বিত্ত সম্পদৰাজিক উৎপাদনমূলক কাৰ্যলৈ আবণ্টন কৰি মধ্যস্থতাকাৰীৰ দায়িত্বৰে দেশৰ অৰ্থনৈতিক উন্নয়নত বিত্তীয় ব্যৱস্থাই এক মহান দায়িত্ব পালন কৰে।

(জ) অৰ্থনৈতিক আৰু বিত্তীয় সিদ্ধান্ত গ্ৰহণৰ বাবে প্ৰয়োজন হোৱা মূল্য সম্পৰ্কীয় তথ্য বিত্তই যোগান ধৰে।

(ঝ) এইদৰে বিত্তই উৎপাদন, মূলধন আহৰণ আৰু উন্নয়নত সহায় কৰে। প্ৰধানতঃ সঞ্চয়কাৰীক

উৎসাহিত কৰাৰ জৰিয়তে, সঞ্চয়ক গতি প্ৰদান কৰি আৰু বিকল্প ব্যৱহাৰ আৰু ব্যৱহাৰকাৰীৰ মাজত পুঁজিৰ সৰবৰাহ কৰি সেৱা আগবঢ়ায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ বিত্তৰ দুটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য লিখক।

.....

.....

.....

.....

১.৬ বিত্তৰ শ্ৰেণীবিভাগ (CLASSIFICATION OF FINANCE)

পৰম্পৰাগতভাৱে বিত্তক দুটা ভাগত ভাগ কৰা হৈছে — ৰাজহুৱা বিত্ত আৰু ব্যক্তিগত বিত্ত।

(ক) **ৰাজহুৱা বিত্ত ঃ** কল্যাণকামী ৰাষ্ট্ৰৰ চৰকাৰবোৰে জনসাধাৰণৰ কল্যাণৰ প্ৰতি লক্ষ্য ৰাখি কৰা বিভিন্ন ব্যয়সমূহক চৰকাৰী বিত্ত বোলে। ৰাজহুৱা বিত্তৰ অধ্যয়নে বিভিন্ন চৰকাৰী প্ৰতিষ্ঠানসমূহত কেনেদৰে বিত্ত ব্যৱহাৰ কৰা হয় তাৰ আভাস দিয়ে। ৰাজহুৱা বিত্তই চৰকাৰী লেনদেন, চৰকাৰী পুঁজি সংগ্ৰহ আৰু বিতৰণৰ লগত জড়িত কাৰ্যসমূহ পৰ্যালোচনা কৰে।

(খ) **ব্যক্তিগত বিত্ত ঃ** ব্যক্তিগত বিত্তই ব্যক্তি আৰু ব্যক্তিগত প্ৰতিষ্ঠানসমূহৰ অৰ্থনৈতিক কাম-কাজক সূচায়। এই অধ্যয়নৰ মাজেৰে আমি কেনেকৈ বিভিন্ন ব্যক্তি আৰু ব্যক্তিগত প্ৰতিষ্ঠানে পুঁজি সংগ্ৰহ কৰি ইয়াক লাভজনক উদ্দেশ্যেৰে ব্যৱহাৰ কৰে তাক জানিব পাৰো। ব্যক্তিগত বৃত্তক আকৌ তিনিটা ভাগত ভগাব পাৰি — ১। ব্যক্তিৰ বিত্ত ২। ব্যৱসায় বিত্ত আৰু ৩। লাভ অৰ্জনৰ উদ্দেশ্য নথকা সংগঠনৰ বা স্বেচ্ছাসেৱী প্ৰতিষ্ঠানৰ বিত্ত।

১। **ব্যক্তিৰ বিত্ত ঃ** ই মানুহে বিভিন্ন কাৰ্য সম্পাদনৰ বাবে ব্যৱহাৰ কৰা বিত্তীয় ব্যৱস্থাক বুজায়। ইয়াত এজন ব্যক্তিয়ে তেওঁৰ বৰ্তমান বা ভৱিষ্যতত কিমান পৰিমাণৰ পুঁজিৰ প্ৰয়োজন হ'ব ? কাৰ পৰা কেনেদৰে ইয়াক সংগ্ৰহ কৰিব ? ব্যক্তিজনে তেওঁৰ বিত্তীয় সমস্যাসমূহ কেনেদৰে সমাধান কৰিব পাৰিব ? পৰিয়ালৰ পুঁজি কেনেকৈ ল'ৰা-ছোৱালীয়ে পাব পাৰিব ? আৰু কৰ ব্যৱস্থাই কেনেদৰে পুঁজি গঠনত প্ৰভাৱ পেলায় ইত্যাদি আলোচনা কৰা হয়।

২। **ব্যৱসায় বিত্ত ঃ** ব্যৱসায় বিত্ত হৈছে দ্ৰব্য উৎপাদন আৰু সেৱা যোগানৰ লগত জড়িত সকলোপ্ৰকাৰৰ কাম-কাজ সম্পাদনৰ অৰ্থে সেইবোৰ কাৰ্যত জড়িত হোৱা ব্যৱসায়-প্ৰতিষ্ঠানৰ পুঁজিৰ যোগান আৰু ব্যৱহাৰৰ পৰিচালনা কাৰ্য। ই পণ্য সামগ্ৰী উৎপাদন আৰু সেৱা যোগানৰ অৰ্থে আৱশ্যকীয় পুঁজিৰ প্ৰৱাহ সংগঠিত কৰাৰ উপৰি উৎপাদিত সামগ্ৰী বিতৰণ আৰু সেৱা যোগানত পৰোক্ষভাৱে সহায়

আগবঢ়োৱা আনুষংগিক সংস্থা, যেনে— পৰিবহণ, বেংকিং, পণ্যাগাৰ আদিৰ বিত্ত জড়িত কার্যকো অন্তর্ভুক্ত কৰে।

৩। **স্বেচ্ছাসেৱী সংগঠনৰ বিত্ত ঃ** ই ধর্মীয়-সাংস্কৃতিক, দাতব্য, শিক্ষামূলক আৰু সামাজিক অনুষ্ঠান আদিৰ বিত্তীয় পৰিচালনাৰ নীতি, পদ্ধতি আৰু সমস্যাসমূহৰ লগত জড়িত বিত্তীয় কার্যৰ অধ্যয়নক বুজায়।

১.৭ বিত্তীয় ব্যৱস্থা আৰু ইয়াৰ উপাদান সমূহ (FINANCIAL SYSTEM AND ITS COMPONENTS)

আগৰ শাখাত আমি বিত্তৰ অর্থ, বৈশিষ্ট্য আৰু ভূমিকা সম্পর্কে জানিলো। ইয়াৰ উপৰি বিভিন্ন প্রকাৰৰ বিত্ত সম্পর্কেও জানিব পাৰিলো। ইয়াত আমি বিত্তীয় ব্যৱস্থা আৰু ইয়াৰ উপাদান বা অংশৰ বিষয়ে আলোচনা কৰিম। প্রথমে বিত্তীয় ব্যৱস্থাৰ আৰু পিছলৈ ইয়াৰ অংশসমূহৰ বিষয়ে আলোচনা কৰিম।

বিত্ত (Finance) আৰু ব্যৱস্থা (System)ৰ পৰা বিত্তীয় ব্যৱস্থা (Financial System) উক্তিটোৰ উদ্ভাৱন হৈছে। মালিকী স্বত্বৰ পুঁজি আৰু ঋণ সংলগ্ন মুদ্রাজনিত সম্পদেই হ'ল বিত্ত। নির্দিষ্ট উদ্দেশ্যত উপনীত হ'বলৈ পৰস্পৰ সম্পর্কিত কার্যসমূহ ক্রমাগতভাৱে একেলগে কৰাকে পদ্ধতি বোলে। এটা অর্থনীতিত বিত্তীয় ব্যৱস্থাটো পৰিশোধ নিশ্চিতকৰণ, পুঁজিৰ আহৰণ আৰু বিতৰণ আৰু বিত্তায়ন আৰু বিনিময় ব্যৱস্থাৰ সংগঠিতকৰণৰ দ্বাৰা পৰিচালিত হয়। এটা উন্নত বিত্তীয় ব্যৱস্থা হৈছে সিটো য'ত এটা কার্যকৰী পৰিশোধ ব্যৱস্থা, বিত্ত যোগানৰ বাবে নিৰাপদ বজাৰ আৰু বিত্তীয় মধ্যস্থতাকাৰীৰ আৰু গৌণ বজাৰ আৰু বিত্তীয় অনুষ্ঠানৰ সু-ব্যৱস্থা থাকে। ইয়াৰ সু-ব্যৱস্থাই দায়িত্ব পৰিচালনাৰ আহিলা হিচাপে কাম কৰে।

বিত্তীয় ব্যৱস্থাৰ দুটা সাধাৰণ ভূমিকা হ'ল — ব্যক্তি আৰু সংগঠনৰ পৰা অতিৰিক্ত পুঁজি আহৰণ (Mobilise) আৰু ইয়াক অন্য ব্যক্তি বা সংগঠনৰ ঘাটি পূৰণৰ বাবে ব্যৱহাৰ কৰা। অতিৰিক্ত পুঁজি বহনকাৰীৰ উদাহৰণ হ'ল— বিনিয়োগকাৰীসকল আৰু পুঁজিৰ ঘাটি বহনকাৰীৰ উদাহৰণ হ'ল— যিজনে ঋণ লয়। পুঁজি আহৰণেৰে অতিৰিক্ত পুঁজি গোটলৈ লাভ আৰু ঋণ গ্রহণকাৰীক উৎপাদন আৰু ক্রয় ক্ষমতা বৃদ্ধিত সহায় কৰে। ফলত অর্থনৈতিক উন্নয়ন ত্বৰান্বিত কৰি অর্থনৈতিক উৎপাদন আৰু খৰচৰ মাত্রা বৃদ্ধি কৰে। পুঁজি দেনা (Debt) বা সমাংশ (Equity) হিচাপে আহৰণ কৰে। দেনা পুঁজি ঋণ (Loan) হিচাপে যোগান ধৰে আৰু ইয়াক সাধাৰণতে নির্দিষ্ট সময়ত পৰিশোধ কৰিব লগা হয়, আনহাতে সমাংশ পুঁজি মালিকীস্বত্বৰ পুঁজি হিচাপে আহৰণ কৰা হয় আৰু বিনিয়োগকাৰীসকলে ব্যৱসায়ৰ পৰা হোৱা লাভ লাভাংশ হিচাপে পায়।


গোলকীয় বিত্তীয় ব্যৱস্থা (Global Financial System-GFS) ঃ গোলকীয় বিত্তীয় ব্যৱস্থাই বিভিন্ন দেশৰ মাজত আন্তর্জাতিক স্তৰত বিত্তীয় কার্য কৰি অহা অনুষ্ঠান আৰু ইয়াৰ নিয়ন্ত্রণক বুজায়। গোলকীয় অনুষ্ঠান-প্রতিষ্ঠানৰ ভিতৰত আন্তর্জাতিক মুদ্রা পুঁজি (International Monetary Fund), আন্তর্জাতিক কার্য নিশ্চিতকৰণ বেংক (Bank for International

Settlements) ৰাষ্ট্ৰীয় এজেন্সী আৰু চৰকাৰী বিভাগসমূহ যেনে— কেন্দ্ৰীয় বেংক, বিত্ত মন্ত্ৰণালয় আৰু গোলকীকৰণ পৰ্যায়ৰ কাম কৰা, ব্যক্তিগত অনুষ্ঠান যেনে— বেংক আৰু প্ৰতিৰক্ষা পুঁজি (Hedge Fund) অন্যতম।

ভাৰতীয় বিত্তীয় ব্যৱস্থা (Indian Financial System -IFS) ঃ ভাৰতীয় বিত্তীয় ব্যৱস্থাই দেশৰ বিত্তীয় অনুষ্ঠানসমূহৰ মাজত গঢ়ি তোলা এক শৃংখলাক বুজায় যি অতিৰিক্ত পুঁজি ঘাটি গোটসমূহলৈ সৰবৰাহ কৰি দেশৰ অৰ্থনৈতিক কাৰ্য ত্বৰান্বিত কৰাত সহায় কৰে। বিত্তীয় অনুষ্ঠানৰ শৃংখলাবদ্ধতাই তলত দিয়া কাৰ্যসমূহক সামৰি লয়—

- উৎপাদন, বিতৰণ আৰু বিনিয়মৰ চর্ত আৰু পদ্ধতিৰ পৰিচালনা
- বিত্তীয় বজাৰৰ কাম আৰু
- বিত্তীয় অনুষ্ঠান সংগঠিত আৰু কাৰ্য সম্পাদন কৰা।

বিত্তীয় ব্যৱস্থাৰ উপাদানসমূহ (Components Financial System) ঃ বিত্তীয় ব্যৱস্থাৰ উপাদান সমূহক প্ৰধানতঃ চাৰিটা ভাগত ভগোৱা হৈছে। সেইবোৰ হ'ল —



চিত্ৰ ঃ বিত্তীয় ব্যৱস্থা

১.৭.১ বিত্তীয় মধ্যস্থতাকাৰী নাইবা অনুষ্ঠান (Financial Intermediates or Institutions)

বিত্তীয় মধ্যস্থতাকাৰী উক্তিটোৰ কোনো এটা অনুষ্ঠান-প্ৰতিষ্ঠান বা ব্যক্তিয়ে দুটা বা তাতোকৈ অধিক দলৰ লগত বিত্তীয় প্ৰসংগত যোগসূত্ৰৰ কাম কৰাকে বুজায়। প্ৰসংগক্ৰমে উল্লেখ কৰিব পাৰি যে ইয়াত প্ৰথম দল হৈছে সেৱা বা উৎপাদনৰ যোগান ধৰোঁতা আৰু আনটো দল হ'ল ক্ৰেতা বা গ্ৰাহক। এটা বিত্তীয় মধ্যস্থতাকাৰী হ'ল এটা সংস্থা, যিয়ে ঋণদাতা আৰু গৃহিতাৰ মাজত অপ্ৰত্যক্ষভাৱে পুঁজিৰ আদান-প্ৰদান কৰায়। এই ব্যৱস্থাত মধ্যস্থতাকাৰী অনুষ্ঠান এটাই জমা কৰিব পৰা পুঁজি গ্ৰহণ কৰি ঋণধাৰীসকলক ঋণ (loan) বা বন্ধকী (Mortgage) হিচাপে পুঁজিৰ যোগান ধৰে।

বিত্তীয় অনুষ্ঠান নাইবা বিত্তীয় মধ্যস্থাকাৰীয়ে মুখ্য ঋণদাতা আৰু শেষ ঋণ গৃহিতাৰ মাজত বাটকটীয়া হিচাপে কাম কৰে। যিসকলে চলিত ক্ৰয়শক্তিক হ্ৰাস কৰি টকা ধাৰলৈ দিব বিচাৰে তেওঁলোকৰ পৰা এই অনুষ্ঠানে টকা ঋণ বা জমা হিচাপে গ্ৰহণ কৰে, আনহাতে যিয়ে তেওঁলোকৰ চলিত ক্ৰয়ক্ষমতা বৃদ্ধিৰ বাবদ টকা বিচাৰে তেওঁলোকক নিৰাপত্তাপত্ৰ ক্ৰয়ৰ দ্বাৰা বা ঋণ হিচাপে টকা যোগান ধৰে। বিত্তীয় অনুষ্ঠানসমূহক প্ৰধানতঃ বেংকিং আৰু অনা-বেংকিং বিত্তীয় অনুষ্ঠান ৰূপে দুটা ভাগত ভগাব পাৰি। ইহঁতৰ মাজৰ প্ৰধান পাৰ্থক্য হ'ল— বেংকে চাহিদা জমা নাইবা ঋণ সৃষ্টিৰ শক্তি অনুসৰণ কৰিব পাৰে কিন্তু অনা-বেংকিং অনুষ্ঠানে নোৱাৰে। কাৰ্যানুসৰি বেংকিং অনুষ্ঠানক বিভিন্ন ভাগত ভগাব পাৰি যেনে— বাণিজ্যিক বেংক, উন্নয়ন বেংক, বিনিয়োগ বেংক, সমবায় বেংক আৰু আঞ্চলিক গ্ৰাম্য বেংক। আনহাতে, অনা-বেংকিং বিত্তীয় কোম্পানীক ঋণদান আৰু বিত্তীয় কোম্পানী, লিজ (পট্টা) আৰু ভাড়া ক্ৰয় কোম্পানী, ঘৰ বিত্তায়ন কোম্পানী, বীমা কোম্পানী, চিট (Chet) পুঁজি আৰু মিউচুৱেল (পৰস্পৰ) লাভজনক পুঁজি আৰু অন্যান্য অৱশিষ্ট (Residual) বিত্তীয় কোম্পানী আদি ভাগত ভগাব পাৰি।



চাহিদা জমা (Demand Deposit) হ'ল য'ত গ্ৰাহকে তেওঁলোকক প্ৰয়োজন অনুসৰি টকা জমা ৰাখিব বা উঠাই ল'ব পাৰে।

১.৭.২ বিত্তীয় বজাৰ (Financial Markets)

ব্যক্তি, প্ৰতিষ্ঠান আৰু অনুষ্ঠানসমূহৰ দীৰ্ঘকালীন তথা হ্ৰস্বকালীন পুঁজিৰ প্ৰয়োজনীয়তা পূৰণকাৰী বজাৰকে বিত্তীয় বজাৰ বোলা হয়। বিত্তীয় বজাৰ বুলিলে আকৌ—

- কাৰ্যকৰী সুবিধা সৃষ্টিৰ দ্বাৰা ব্যক্তি, প্ৰতিষ্ঠান আৰু বিনিয়োগকাৰী বেংকসমূহৰ অতিৰিক্ত পুঁজিৰ সদ্ব্যৱহাৰৰ দ্বাৰা মুনাফা অৰ্জনৰ ব্যৱস্থাক বুজায়।

- যিবোৰ সংগঠনে বিত্তীয় বেহা-বেপাৰৰ সুবিধা প্ৰদান কৰে, যেনে— ষ্টক বিনিময় কেন্দ্ৰই অংশ, বণ্ড আদিৰ বেহা-বেপাৰৰ সুবিধা দিয়ে।

সেয়েহে বিত্তীয় বজাৰ হৈছে এটা পদ্ধতি য'ত অতি কম খৰচত বিত্তীয় নিৰাপত্তা-পত্ৰ (যেনে অংশ আৰু বণ্ড), দ্ৰব্য (যেনে— কৃষিজাত সামগ্ৰী আৰু মূল্যৱান ধাতু) আৰু অন্যান্য ক্ষণস্থায়ী (Fungible) বিষয়সমূহৰ উপযুক্ত বজাৰীকৰণ ব্যৱস্থা প্ৰদান কৰে। বিত্তীয় বজাৰে তলত দিয়া সুবিধাসমূহ প্ৰদান কৰে -

- মূলধন আহৰণ (মূলধনী বজাৰৰ জৰিয়তে)
- দায়িত্বৰ হস্তান্তৰ (উপজাত বা গৌণ বজাৰৰ জৰিয়তে)
- আন্তৰ্জাতিক বজাৰ (চলিত মুদ্ৰাৰ বজাৰৰ জৰিয়তে)

বিত্তীয় বজাৰে তলত দিয়া উপ-বজাৰসমূহক সামৰি লয়

- মুদ্ৰা বজাৰ— হ্ৰস্বম্যাদী ঋণ বিতৰণ আৰু বিনিয়োগ প্ৰদান কৰে।
- মূলধনী বজাৰ— ই মূখ্য আৰু গৌণ দুই ধৰণে কাম কৰে। নতুনকৈ বিলি কৰা নিৰাপত্তা পত্ৰসমূহ প্ৰতিভূতি বজাৰত কিনা-বেচা কৰা হয়। বজাৰে সামৰি লয় আৰু গৌণ বজাৰে বিনিয়োগকাৰীসকলক তেওঁলোকৰ চলিত নিৰাপত্তা পত্ৰ কিনা-বেচা কৰাৰ সুবিধা দিয়ে। বিত্তীয় বজাৰৰ বিভিন্ন ভাগসমূহ হ'ল—
- দ্ৰব্য বজাৰ— দ্ৰব্য বজাৰীকৰণত সহায় কৰে।
- উপজাত বজাৰ— বিত্তীয় দায়িত্ব পৰিচালনাৰ আহিলা যোগান ধৰে।
- ভৱিষ্যতৰ বজাৰ— উৎপাদিত সামগ্ৰীৰ ভৱিষ্যতে হ'ব লগা উন্নত মানৰ বজাৰৰ সৃষ্টি কৰে।
- বীমা বজাৰ— বিভিন্ন ধৰণৰ দায়িত্ব পুনৰ বিতৰণৰ সুবিধা দিয়ে।
- বৈদেশীক মুদ্ৰা বিনিময় বজাৰ— বৈদেশিক মুদ্ৰাৰ বিনিময়ৰ বজাৰীকৰণত সহায় কৰে।

ওপৰত বিত্তীয় বজাৰৰ বিভিন্ন ভাগসমূহ থোৰতে আলোচনা কৰা হ'ল যদিও বহল আৰু সাধাৰণতে বিত্তীয় বজাৰক দুটা ভাগত ভাগ কৰা হৈছে।

(ক) মুদ্ৰা বজাৰ (Money Market) ঃ অৰ্থনৈতিক উন্নয়নৰ বাবে হ্ৰস্বম্যাদী পুঁজিৰ আদান-প্ৰদান তথা বজাৰীকৰণ পদ্ধতিটোকে মুদ্ৰা বজাৰ বোলে। ই হ্ৰস্বম্যাদী পুঁজি যোগানৰ আনুষ্ঠানিক ব্যৱস্থাক বুজায়। এই বজাৰত বিত্তীয় অনুষ্ঠানবোৰে প্ৰধানতঃ বেংকে, এটাই আন এটাৰ পৰা মুদ্ৰা বা মুদ্ৰাজনিত সম্পত্তি ধাৰ হিচাপে লয় বা দিয়ে, নিৰাপত্তাপত্ৰ, কোষাগাৰ বিল আৰু অন্যান্য বিত্তীয় আহিলা, যেনে— জমাৰ প্ৰমাণ-পত্ৰ আদান-প্ৰদান বা সুৰক্ষা পুঁজি আৰু সঞ্চিত সুৰক্ষা পুঁজিৰ চুক্তিত অৱতৰণকাৰী ব্যৱসায়িক কাৰ্য সম্পাদন কৰে। মুদ্ৰা বজাৰত পুঁজিসমূহ হ্ৰস্বকালৰ বাবে যেনে— এদিন, এসপ্তাহ, এমাহ, নাইবা তিনিমাহৰ পৰা ছমাহ আৰু কেতিয়াবা এবছৰ পৰ্যন্ত ল'ব পাৰে। এই ঋণসমূহ বিভিন্ন প্ৰকাৰৰ নথি যেনে— কোষাগাৰ বিল, বিনিময় বিল,

খত ইত্যাদি মুদ্ৰাজনিত সম্পত্তিৰ (Near money) বিপৰীতে লোৱা হয়।

মুদ্ৰা বজাৰৰ প্ৰধান কাৰ্যাৱলীসমূহ হ'ল—

- বাণিজ্যিক বেংক, অনা-বেংকিং বিত্তীয় অনুষ্ঠান, ব্যৱসায়িক প্ৰতিষ্ঠান আৰু অন্যান্য বিনিয়োগকাৰীসকলক পুঁজি বিনিয়োগৰ তাৰল্য প্ৰদানৰ বাবে উপযুক্ত পদ্ধতি প্ৰদান।
- মুদ্ৰা যোগান আৰু অৰ্থনৈতিক তাৰল্যতা নিয়ন্ত্ৰণৰ বাবে কেন্দ্ৰীয় বেংকক ভেটি (Platform) প্ৰদান কৰা।
- হ্ৰস্বকালীন ঘাটি আৰু অতিৰিক্ত যোগানৰ মাজত সামঞ্জস্য বজাই ৰখা।
- হ্ৰস্বকালীন মুদ্ৰাৰ এটা বাস্তৱধৰ্মী মূল্য নিৰ্ধাৰণ।

মুদ্ৰাবজাৰৰ লেনদেনত অংশগ্ৰহণ কৰা অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ হ'ল—

- কেন্দ্ৰীয় চৰকাৰ
- ৰাজ্য চৰকাৰ
- ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান
- নথিভুক্ত বাণিজ্যিক বেংক (Scheduled Commercial Banks)
- ব্যক্তিগত খণ্ডৰ কোম্পানী
- সতৰ্ক পুঁজি (Provident Fund)
- জীৱন বীমা কোম্পানী
- মিউচুৱেল ফাণ্ড (Mutual Fund)
- অনা-বেংকিং বিত্তীয় কোম্পানী
- মুখ্য ব্যৱসায়ী (Primary Dealers)

(২) মূলধন বজাৰ (Capital Market) ঃ মূলধন বজাৰ বুলিলে সচৰাচৰ দীৰ্ঘম্যাদী পুঁজি যোগানৰ আনুষ্ঠানিক ব্যৱস্থাক বুজায়। কোম্পানী ব্যৱসায় আৰু চৰকাৰৰ উৎপাদনমুখী বিনিয়োগ নীতি বাস্তৱত ৰূপায়ণ কৰাত দীৰ্ঘম্যাদী পুঁজিৰ যোগান পদ্ধতি, ইয়াৰ লগত জড়িত কাম-কাজ আৰু ব্যৱস্থাপনাৰ সমষ্টিয়ে হৈছে মূলধন বজাৰ। এই বজাৰে জনসঞ্চয় আৰু আনুষ্ঠানিক সঞ্চয়ক উৎপাদন ক্ষেত্ৰলৈ প্ৰৰাহিত কৰে। সকলোবোৰ দীৰ্ঘম্যাদী পুঁজিৰ প্ৰয়োজনীয়তা মূলধন বজাৰৰ জৰিয়তে পূৰণ কৰা হয়। দেশত প্ৰচলিত অৰ্থনৈতিক ব্যৱস্থাত বিত্তীয় সম্পদৰ মুক্ত আৰু ভাৰসাম্য প্ৰৰাহৰ সমন্বয় আৰু নিৰ্দেশনাৰ উপায় অৱলম্বনত মূলধন বজাৰে মুখ্য ভূমিকা পালন কৰে।

মূলধন বজাৰৰ কাৰ্যাৱলী

- ব্যাপক পৰিসৰত দীৰ্ঘম্যাদী বিত্তীয় সম্পদৰ সংগ্ৰহ সুচল কৰা।
- নিৰাপত্তা পত্ৰ ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰা।
- প্ৰতিভূতি আৰু নিৰাপত্তা পত্ৰ ব্যৱসায়ৰ বাবে সংগঠিত বজাৰৰ সৃষ্টি কৰা।

- নিৰাপত্তা পত্ৰৰ উন্নত মূল্য প্ৰদান।
- বিনিয়োগ আৰু সঞ্চয়ৰ মাজত সামঞ্জস্য স্থাপন।

মূলধন বজাৰৰ শ্ৰেণী বিভাগ

মূলধন বজাৰক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—

(ক) **প্ৰতিভূতি বজাৰ ঃ** এখন সংগঠিত আৰু কেন্দ্ৰীভূত বজাৰ, য'ত অংশপত্ৰ, ঋণপত্ৰ, চৰকাৰী জমিনপত্ৰ আদি সকলো প্ৰকাৰৰ পুৰণি আৰু প্ৰচলিত নিৰাপত্তা পত্ৰ ক্ৰয়-বিক্ৰয় কৰা হয়।

(খ) **খত (Bond) বজাৰ ঃ** ই খত বিলিৰ দ্বাৰা বিত্তায়ন আৰু ইয়াৰ পৰৱৰ্ত্তী বজাৰিকৰণৰ ব্যৱস্থা কৰে।

(গ) **উপজাত বজাৰ ঃ** বিত্তীয় উপজাত বজাৰ ব্যৱস্থা হৈছে দুটা গোটৰ মাজত ভিতৰুৱা সম্পত্তি (প্ৰতিভূতি আৰু সূচাংক) ক্ৰয়-বিক্ৰয়ৰ এটা চুক্তি যাৰ মূল্য ভিতৰুৱা বিত্তীয় সম্পত্তি বা দাবীৰ পৰা নিৰ্ধাৰণ কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ তলৰ কোনবোৰ মুদ্ৰা বজাৰৰ অংশীদাৰ নহয়?

(ক) ৰাজ্য চৰকাৰ (খ) ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান

(গ) নথিভুক্ত বাণিজ্যিক বেংক আৰু (ঘ) ষ্টক বিনিময় কেন্দ্ৰ

প্ৰশ্ন নং ৩ঃ তলৰ কোনবিধ মূলধন বজাৰৰ আহিলাৰ ভিতৰত পৰে?

(ক) জমাৰ প্ৰমাণ-পত্ৰ (খ) সাধাৰণ অংশ (গ) বাণিজ্যিক পত্ৰ

(ঘ) কোষাগাৰ বিল।

বহল ভিত্তিত বিত্তীয় বজাৰক মুখ্য আৰু গৌণ দুটা ভাগত ভগাব পাৰি—

(ক) **মুখ্য বজাৰ (Primary Market) ঃ** মুখ্য বজাৰ বা নতুন বিলি বজাৰ নতুনকৈ প্ৰৱৰ্তন কৰা কোম্পানীৰ নতুন নিৰাপত্তা পত্ৰ আৰু পুৰণা তথা প্ৰতিষ্ঠিত কোম্পানীৰ নতুন নিৰাপত্তা পত্ৰ বিক্ৰীৰ প্ৰাথমিক বজাৰ। মুখ্য বজাৰে নতুনকৈ বিলি কৰা অংশপত্ৰ আৰু ঋণপত্ৰৰ বিক্ৰীৰ প্ৰস্তাৱৰ বজাৰক বুজায়। ইয়াতো অন্যান্য বজাৰৰ দৰে চাহিদা আৰু যোগানৰ পাৰস্পৰিক ক্ৰিয়া সংঘটিত হয়। বিত্তীয় অনুষ্ঠান, অবলেখক, দালাল ইত্যাদিসকলে নতুন বিলি বজাৰৰ সহায়ক হিচাপে কাম কৰে।

(খ) **গৌণ বজাৰ (Secondary Market) ঃ** গৌণ বজাৰ হৈছে প্ৰতিভূতি বিনিময় আৰু অভাৰ দ্য কাউণ্টাৰ একচেঞ্জ (Over The Counter Exchange)ৰ এটা সমষ্টিগত বজাৰ। গৌণ বজাৰ হৈছে মূলধন বজাৰৰ এক উপাদান, এখন সংগঠিত আৰু কেন্দ্ৰীভূত বজাৰ, য'ত অংশপত্ৰ, ঋণপত্ৰ, চৰকাৰী জামিনপত্ৰ আদি সকলো প্ৰকাৰৰ পুৰণি আৰু প্ৰচলিত নিৰাপত্তা পত্ৰ ক্ৰয়-বিক্ৰয় কৰা হয়।

প্ৰতিভূতি দালালে (Stock Brokers) প্ৰতিভূতি বা ষ্টক বিনিময় কেন্দ্ৰ আৰু বিনিয়োগকাৰীৰ মাজত মধ্যস্থতাকাৰীৰ ভূমিকা পালন কৰে। মূলধন বজাৰৰ কাৰ্যসমূহ ভাৰতীয় প্ৰতিভূতি আৰু বিনিময় মণ্ডলী (Securities and Exchange Board of India- SEBI)ৰ দ্বাৰা নিয়ন্ত্ৰিত হয়।



অনুশীলনী ১.১

এটা প্ৰতিভূতি দাদালৰ প্ৰতিষ্ঠান ভ্ৰমণ কৰি তাৰ কাৰ্যসমূহ অনুসৰণ কৰক আৰু ইয়াৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

১.৭.৩ বিত্তীয় আহিলা (Financial Instruments)

সা-সম্পত্তিৰ ওপৰত বিত্তীয় দাবীক প্ৰতিনিধিত্ব কৰা গুৰুত্বপূৰ্ণ নথিকে বিত্তীয় আহিলা বা সঁজুলি বুলি কোৱা হয়। বিত্তীয় আহিলাসমূহে মুদ্ৰাৰ দৰে কাম কৰে আৰু মুদ্ৰাৰ কাৰ্য কিছুমান সমাধান কৰে। এই আহিলাসমূহ বিত্তীয় বজাৰৰ ঋণদান আৰু বিনিয়োগ ব্যৱস্থাত পুঁজিৰ মাধ্যম হিচাপে কাম কৰে। বিত্তীয় আহিলাসমূহ হ'ল— বিনিময় পত্ৰ, প্ৰতিশ্ৰুতি পত্ৰ, বণ্ড বা খত, আমানত প্ৰাপ্তি ৰচিদ ইত্যাদি।

বিত্তীয় আহিলাসমূহক দুটা ভাগত ভগাব পাৰি—

(ক) **মুখ্য বা প্ৰত্যক্ষ আহিলা (Primary or Direct Instrument) ঃ** বাস্তৱ খণ্ডৰ (Real Sector) গোটৰ শেষৰ ঋণধাৰীয়ে পুঁজি আহৰণ কৰি খৰচৰ ঘাটি বিত্তায়ন কৰাৰ বাবে সৃষ্টি কৰা বাস্তৱ খণ্ডৰ গোটৰ বিপৰীতে বিত্তীয় দাবীত এই মুখ্য বা প্ৰত্যক্ষ আহিলাসমূহে কাম কৰে। এইবোৰ শেষ ঋণধাৰীৰ বাধ্যতামূলক আহিলা। উদাহৰণস্বৰূপে বিল, খত, সমাংশ ইত্যাদিৰ নাম উল্লেখ কৰিব পাৰি।

(খ) **গৌণ বা পৰোক্ষ আহিলা (Secondary or Indirect Instrument) ঃ** বিত্তীয় প্ৰতিষ্ঠানসমূহে ৰাইজৰ পৰা পুঁজি আহৰণৰ সময়ত বিত্তীয় দাবী হিচাপে এনেধৰণৰ আহিলাসমূহ ব্যৱহাৰ কৰে। এই সম্পত্তিসমূহ বিত্তীয় প্ৰতিষ্ঠানসমূহে বাধ্যতামূলকভাৱে গ্ৰহণ কৰে। ইয়াৰ উদাহৰণ হ'ল— বেংক জমা কাগজ, জীৱন বীমা নথি, ভাৰতীয় ইউনিট ট্ৰাষ্টৰ গোট ইত্যাদি।



জানি থোৱা ভাল

বিত্তীয় আহিলাসমূহ আকৌ নগদ আহিলা আৰু উপজাত আহিলা অনুসৰি দুটা ভাগত ভগাব পাৰি—

- **নগদ আহিলা (Cash Instruments) ঃ** এই আহিলাৰ মূল্য বজাৰ মূল্যৰ দ্বাৰা

নির্ধাৰিত হয়। ইয়াক সহজতে হস্তান্তৰযোগ্য নিৰাপত্তা পত্ৰ আৰু অন্য নগদ আহিলাত (যেনে— ঋণ আৰু জমাত) ভাগ কৰিব পাৰি।

- **সহজাত আহিলা (Derivative Instrument) ঃ** সহজাত আহিলা হ'ল এক বিত্তীয় আহিলা যাৰ মূল্য অন্য বিত্তীয় আহিলাৰ বা পৰিবর্তনশীল আহিলাৰ পৰা প্ৰাপ্ত। ইয়াক বিনিময় বেপাৰ (Exchange Traded) আৰু অভাৰ দ্য কাউণ্টাৰ (OTC) সহজাত হিচাপে ভগাব পাৰি।

আকৌ সম্পত্তিৰ শ্ৰেণী বিভাজন অনুসৰি বিত্তীয় আহিলাসমূহক তলত দিয়া ধৰণেৰে ভগাব পাৰি—

- **সমাংশ ভিত্তি (Equality based) ঃ** বিলি প্ৰতিষ্ঠানৰ ঋণ পুঁজি বিনিয়োগকাৰীক সূচায়। ঋণ পুঁজিক আকৌ হ্ৰস্বকালীন (এবছৰৰ তলৰ) আৰু দীর্ঘকালীন (এবছৰতকৈ অধিক কাল) দুটা ভাগত ভগাব পাৰি।

বৈদেশিক বিনিময় আহিলা আৰু লেনদেন ঋণ নাইবা সমাংশ কোনো এটা ভাগতে নপৰে। ইহঁতৰ এটা নিজা পৃথক ভাগ আছে। বজাৰীকৰণৰ ভাগ অনুসৰি আহিলা সমূহক আকৌ দুটা ভাগত ভগাব পাৰি যেনে—

মুদ্ৰা বজাৰ আহিলা (Money Market Instrument)

মূলধন বজাৰ আহিলা (Capital Market Instrument)

(ক) মুদ্ৰা বজাৰ আহিলা ঃ মুদ্ৰা বজাৰৰ গুৰুত্বপূর্ণ আহিলাসমূহ হ'ল—

- **তলবী মুদ্ৰা/জাননী মুদ্ৰা (Call Money/Nature Money) ঃ** তলবী মুদ্ৰা বা তচলবী জমা হ'ল এনে এক পদ্ধতি য'ত জমাকর্তাই জমা পৰিশোধৰ বাবে কোৱাৰ লগে লগে মুদ্ৰা ঘূৰাই দিব লাগে। আনহাতে জাননী মুদ্ৰাৰ ক্ষেত্ৰত জমা বার্তাই জাননী মতে দিয়া নির্দিষ্ট সময়ৰ ভিতৰত মুদ্ৰা ঘূৰাই পাব বিচাৰে। টকা ঘূৰাই দিয়াৰ সময় এনিশাৰ পৰা চৈধ্য দিন পর্যন্ত হ'ব পাৰে।
- **ম্যাদী মুদ্ৰা (Term Money) ঃ** আন্তঃবেংকিং অংশগ্ৰহণকাৰীৰ মাজত চৈধ্য দিনৰ অধিক সময় ধৰি চলা লেনদেনক ম্যাদী মুদ্ৰা বোলা হয়।
- **আমানত প্ৰমাণ-পত্ৰ (Certificaties of Deposits) ঃ** আমানত প্ৰমাণ-পত্ৰ হ'ল মুদ্ৰা বজাৰৰ এক আহিলা যাক অভৌতিক (Dematerialised) প্ৰকাৰে নাইবা বিদেশীয় প্ৰতিজ্ঞা পত্ৰৰ টোকা হিচাপে বেংক বা অন্যান্য বিত্তীয় অনুষ্ঠানৰ এক নির্দিষ্ট সময়ৰ পুঁজি জমাৰ বিপৰীতে বিলি কৰা হয়। এনেধৰণৰ আহিলা তালিকাভুক্ত বেংক আৰু ভাৰতীয় ৰিজার্ভ বেংকৰ (RBI) অনুমতিপ্ৰাপ্ত সকলোবোৰ বিত্তীয় প্ৰতিষ্ঠানে বিলি কৰিব পাৰে, কিন্তু স্থানীয় বেংক বা আঞ্চলিক গ্ৰামীণ বেংকে ইয়াক বিলি কৰিব নোৱাৰে। বাণিজ্যিক বেংকে বিলি কৰা আমানত প্ৰমাণ-পত্ৰ সাত দিনতকৈ কম আৰু এবছৰতকৈ বেছি আৰু বিত্তীয় প্ৰতিষ্ঠানে বিলি কৰা আমানত প্ৰমাণ-পত্ৰ এবছৰতকৈ কম আৰু তিনি বছৰতকৈ

বেছি হ'ব নোৱাৰে।

- **বাণিজ্যিক দলিল (Comercial Paper) ঃ** বাণিজ্যিক দলিল হ'ল এক আহিলা যাক নিগমবদ্ধ প্ৰতিষ্ঠান (Corporates), প্ৰধান ব্যৱসায়ী আৰু সকলোবোৰ ভাৰতীয় বিত্তীয় প্ৰতিষ্ঠানসমূহে হ্ৰস্বম্যাদী সম্পদ হিচাপে আহৰণ কৰে। বাণিজ্যিক দলিল প্ৰতিজ্ঞা পত্ৰৰ আকাৰত বিলি সময়ৰ পৰা সৰ্বনিম্ন সাত দিন আৰু সৰ্বোচ্চ এবছৰৰ বাবে বিলি কৰিব পাৰে। বাণিজ্যিক দলিল বিলিকাৰীয়ে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ পৰা আগতীয়া অনুমোদন লাভ কৰিব লাগে। এই দলিল ব্যক্তি, বেংক, অন্যান্য নিগমবদ্ধ প্ৰতিষ্ঠান, প্ৰবাসী ভাৰতীয় আৰু বৈদেশিক বিত্তীয় বিনিয়োগকাৰীলৈ বিলি কৰিব পাৰে। ইয়াক নিৰ্ধাৰিত মূল্যৰ (Face value) ওপৰত বিলিকাৰীয়ে বাট্টা নিৰ্ধাৰণ কৰি বিলি কৰে।
- **বিল পুনৰ বাট্টা আঁচনি (Bill Re-discounting Schemes- BRDS) ঃ** ই হৈছে এক মুদ্ৰাবজাৰ আঁচনি, য'ত বেংকে বিদেশীয় প্ৰতিজ্ঞাপত্ৰ (Usance Promissary notes) বিলিৰ দ্বাৰা পুঁজি সংগ্ৰহ কৰে। ই মুদ্ৰা বজাৰক তাৰল্যতা প্ৰদান কৰে। বিল পুনৰ বাট্টা আঁচনিৰ সহায়ত পোন্ধৰ দিনৰ পৰা নব্বৈ দিনলৈ লেনদেন কৰিব পাৰি। এই আঁচনিৰ অধীনত ঋণ গ্ৰহণ কৰিলে বেংকে ঋণদাতাক ইয়াৰ সাখ্য হিচাপে এখন বিদেশীয় প্ৰতিজ্ঞা পত্ৰ আৰু এখন প্ৰমাণ-পত্ৰ প্ৰদান কৰে। এই প্ৰমাণ-পত্ৰত বেংকে ইয়াত উল্লেখিত মূল্যৰ সমপৰ্যায়ৰ ঋণ গ্ৰহণ কৰাৰ কথা সন্নিবিষ্ট কৰা থাকে।
- **আন্তঃবেংক সহযোগী প্ৰমাণ-পত্ৰ (Inter Bank Participation Certificate- IBPCS) ঃ** আন্তঃ বেংক সহযোগী প্ৰমাণ-পত্ৰ হ'ল পুঁজি আহৰণ বা হ্ৰস্বম্যাদী জমা পুঁজি বিনিয়োগৰ বাবে তালিকাভুক্ত বাণিজ্যিক বেংকে বিলি কৰাৰ এক প্ৰকাৰৰ আহিলা। ইয়াক দায়িত্বভুক্ত আৰু অদায়িত্বভুক্ত দুই ভাগত ভগাব পাৰি। দায়িত্বভুক্ত নথিৰ/আহিলাৰ সৰ্বনিম্ন ৯১ দিনৰ পৰা সৰ্বোচ্চ ১৮০ দিন পৰ্যন্ত সময়লৈ বিলি কৰিব পাৰে, কিন্তু অদায়িত্বভুক্ত নথিৰ সময় ৯০ দিনৰ ভিতৰতে সীমিত হয়। এই প্ৰমাণ-পত্ৰ হস্তান্তৰ আৰু নিৰ্দিষ্ট সময়ৰ আগত পৰিশোধ কৰিব নোৱাৰি। বিলি বেংক আৰু সহযোগী বেংক লগ হৈ ইয়াৰ ওপৰত সুত নিৰ্ধাৰণ কৰে।
- **আনুষংগিক ঋণ লোৱা আৰু দিয়াৰ নথি (Collateralined Borrowing and Lending - CBLO) ঃ** ই হ'ল ভাৰতীয় ক্লিয়াৰিং কেম্পানীত (Clearing Corporation of India) উপস্থাপিত জামিনৰ বিপৰীতে ১ দিনৰ পৰা ৯০ দিনলৈ ম্যাদপ্ৰাপ্ত ইলেক্ট্ৰনিক নথিভুক্ত এক আধুনিক প্ৰকাৰৰ নথি। ইয়াক ঋণ লোৱা বা দিয়াৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়। যিসকলৰ আন্তঃবেংক তলবী মুদ্ৰা বজাৰৰ পৰা বাহিৰত থাকে নাইবা তলবী ঋণ গ্ৰহণ বা প্ৰদানৰ লেনদেনত

অংশগ্ৰহণত সীমাবদ্ধতা থাকে সেইবোৰ প্ৰতিষ্ঠানৰ এই নথিৰ দ্বাৰা মুদ্ৰা বজাৰৰ তাৰল্যতা পাব পাৰে। বেংক, বিত্তীয় অনুষ্ঠান, অনা-বেংকিং বিত্তীয় নিগম, বীমা কোম্পানী, মুখ্য বেপাৰী, অনা-চৰকাৰী সঞ্চিত পুঁজি, নিগমবদ্ধ প্ৰতিষ্ঠান ইত্যাদিয়ে এনেধৰণৰ নথি ব্যৱহাৰ কৰিব পাৰে।

- **কোষাগাৰ বিল (Treasury Bill) ঃ** কোষাগাৰ বিল হ'ল ৰিজাৰ্ভ বেংকৰ জৰিয়তে চৰকাৰে বিলি কৰা এক প্ৰকাৰ প্ৰতিশ্ৰুতি পত্ৰ। সাধাৰণতে এনেবোৰ প্ৰতিশ্ৰুতি পত্ৰ বাট্টাত বিলি কৰি লিখিত মূল্যত পৰিশোধ কৰা হয়। ইয়াক লিখিত মূল্যৰ ওপৰত বাট্টাত বিলি কৰা হয়। এই বাট্টা সাধাৰণতে ৰিজাৰ্ভ বেংকে নিৰ্ণয় কৰে। কোষাগাৰ বিলৰ ১৪, ২৮, ৯১, ১৮২ আৰু ৩৬৪ দিনলৈ ম্যাদী হ'ব পাৰে। এই বিল নিশ্চিত তাৰল্যৰ বিনিয়োগ হিচাপে বিবেচিত হয় আৰু বেংকৰ বাবে পৰিশোধ প্ৰাপ্তি বিপদমুক্ত হয়। ঋণ নিয়ন্ত্ৰণৰ (Cradit Control) ক্ষেত্ৰতো ৰিজাৰ্ভ বেংকে কোষাগাৰ বিল ব্যৱহাৰ কৰে।

(৩) **মূলধন বজাৰৰ আহিলা (Capital Market Instruments)** ঃ দীৰ্ঘম্যাদী পুঁজি সংগ্ৰহৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ নথিসমূহক মূলধন বজাৰৰ নথি বোলা হয়। এই নথিবোৰ হ'ল—

- **খত (Bond) ঃ** খত হ'ল নিগমবদ্ধ সংস্থা, চৰকাৰ নাইবা বিকাশমূলক বিত্তীয় প্ৰতিষ্ঠানসমূহে দীৰ্ঘম্যাদী পুঁজি সংগ্ৰহৰ উদ্দেশ্যে বিলি কৰা এক ঋণ নথি। ইয়াত নিৰ্দিষ্ট সুতৰ হাৰ উল্লেখ কৰা থাকে আৰু ই জামিনমুক্ত বা সৰল বা মুক্ত হ'ব পাৰে। চুক্তি আইন (Law of Contact) অনুসৰি খত হস্তান্তৰযোগ্য দলিল আৰু ইয়াৰ পৃথাংকণৰ দ্বাৰা হস্তান্তৰ কৰিব পাৰি।
- **ঋণপত্ৰ (Debentures)ঃ** কোম্পানীৰ ঋণ মূলধন সংগ্ৰহ কৰোঁতে ইয়াৰ দীৰ্ঘকালীন আৰু মধ্যকালীন বিত্তীয় প্ৰয়োজন পূৰণ কৰাত ঋণপত্ৰ হৈছে অন্যতম আহিলা। ঋণপত্ৰৰ ম্যাদ এবছৰৰ পৰা দহ বছৰ পৰ্যন্ত হ'ব পাৰে। ই কোম্পানী আইন অনুসৰি পৰিচালিত হয় আৰু পঞ্জীভুক্ত ঋণপত্ৰহে হস্তান্তৰযোগ্য হয়। ঋণপত্ৰ জমিনপ্ৰাপ্ত বা সৰল বা মুক্ত দুই ধৰণৰ হ'ব পাৰে। পৰিৱৰ্তনশীলতাৰ ফালৰ পৰা ইয়াৰ পৰিৱৰ্তনীয়, অপৰিৱৰ্তনীয়, আংশিক পৰিৱৰ্তনীয় আৰু ইচ্ছাধীন পৰিৱৰ্তনীয় চাৰিটা ভাগত ভগাব পাৰি—
- **সাধাৰণ অংশ (Equity Share) ঃ** সাধাৰণ অংশ হৈছে কোম্পানীৰ মুঠ অংশৰ এটা অংশ। ভাৰতীয় কোম্পানী আইন, ১৯৫৬ৰ ধাৰা ৮৫ (২) অনুসৰি কোম্পানীৰ বিত্তীয় গাঁথনিৰ সাধাৰণ অংশ হিচাপে গণ্য কৰা নহয়। সাধাৰণ অংশৰ ধাৰকসকলে (অংশধাৰক) কোম্পানীৰ লাভৰ অংশ লাভাংশ (Divident) হিচাপে লাভ কৰে আৰু ইয়াৰ পৰিচালনত ভোট দানৰ জৰিয়তে অংশ গ্ৰহণৰ সুবিধা পায়। কিন্তু তেওঁলোকে কোম্পানীৰ লাভ-লোকচানৰ বোজা

(সীমিত স্তৰলৈ) বহন কৰিব লাগে। অংশপত্ৰ হ'ল মালিকীস্বত্বৰ নথি আৰু ই হস্তান্তৰযোগ্য। মুখ্য বজাৰত কোম্পানীয়ে নতুন অংশ বিলিৰ দ্বাৰা দীৰ্ঘম্যাদী প্ৰয়োজনীয় পুঁজি সংগ্ৰহ কৰে আৰু গৌণ বজাৰত ষ্টক বিনিময় কেন্দ্ৰৰ জৰিয়তে চালিত অংশ কিনা-বেচা কৰা হয়।

- **অগ্ৰাধিকাৰ অংশ (Preference Share) ঃ** ভাৰতীয় কোম্পানী আইন ১৯৫৬ ৰ ধাৰা ৮৫ ৰ মতে, অগ্ৰাধিকাৰ অংশ হৈছে কোম্পানীৰ মূলধন গাঁথনিৰ সেই অংশ য'ত ধাৰকসকলে নিৰ্দিষ্ট পৰিমাণ বা নিৰ্দিষ্ট হাৰৰ লভ্যাংশ প্ৰাপ্তিত আৰু ব্যৱসায়ৰ অবসায়নৰ সময়ত বা আন পৰিস্থিতিত মূলধন পৰিশোধৰ ক্ষেত্ৰত সাধাৰণ অংশধাৰকতকৈ আগধৰি গ্ৰহণ কৰাৰ অধিকাৰ লাভ কৰে। এই অংশধাৰকসকলৰ ভোট দিয়াৰ অধিকাৰ নাথাকে, অৰ্থাৎ এওঁলোকে কোম্পানী পৰিচালনাত অংশগ্ৰহণ কৰিব নোৱাৰে। কোম্পানী দীৰ্ঘম্যাদী মূলধনৰ প্ৰয়োজন ঘটিলে অথচ মালিকীস্বত্ব অধিক ব্যক্তিলৈ হস্তান্তৰ কৰিব নিবিচৰা অৱস্থাত কোম্পানীয়ে এনেধৰণৰ নথি বিলি কৰিব পাৰে। এই অংশসমূহো কিনা-বেচা হয় যদিও লভ্যাংশৰ নিৰ্দিষ্টতাৰ বাবে ই বহন ভিত্তিত হোৱা দেখা নাযায়।
- **গোলকীয় বিনিয়োগ পত্ৰ (Global Depositary Receipts- GDR) ঃ** গোলকীয় বিনিয়োগ পত্ৰ হ'ল মূলধন বজাৰত ব্যৱহৃত আন্তৰ্জাতিক ব্যৱসায়ত সাধাৰণ অংশৰ বিকাশ হিচাপে বিলি কৰা এক ধৰণৰ নথি। ই বোম্বে প্ৰতিভূতি বিনিময় কেন্দ্ৰৰ নিৰ্ধাৰিত ভাৰতীয় অংশপত্ৰৰ এটা নিৰ্দিষ্ট হাৰত লেনদেন সমাপ্ত কৰে। ই হ'ল আমেৰিকান মুদ্ৰা ডলাৰত (Dollars) মূল্য নিৰ্ধাৰণকাৰী এক আন্তৰ্জাতিক পত্ৰ যাক ইউৰোপ; আমেৰিকা আদিকে ধৰি বিদেশীয় ৰাষ্ট্ৰসমূহে বিত্তীয় বজাৰত মুক্তভাৱে হস্তান্তৰযোগ্য দলিল হিচাপে ব্যৱহাৰ কৰি আহিছে।
- **আমেৰিকান বিনিয়োগ পত্ৰ (American Depositary Receipts- ADR) ঃ** আমেৰিকান বিনিয়োগ পত্ৰ (ADR) GDR (জি ডি আৰ)ৰ নিচিনা প্ৰায় একে ধৰণৰ বিনিয়োগ পত্ৰ। সাধাৰণতে এ ডি আৰ (ADR) ৰ ব্যৱহাৰৰ পৰিসৰ জি ডি আৰতকৈ কিছু ঠেক আৰু ই আমেৰিকান বজাৰত বহুলভাৱে ব্যৱহৃত হয়। বৈদেশিক মুদ্ৰা পৰিৱৰ্তনীয় খত আৰু সাধাৰণ অংশ আঁচনি ১৯৯৩ (Foreign Currency Convertible Bonds and Ordinary Shares Scheme 1993) আৰু কেন্দ্ৰীয় চৰকাৰৰ সময়ে সময়ে ঘোষণা কৰা জাননী অনুসৰি এই ধৰণৰ নথিসমূহ বিলি কৰা হয়।

১.৭.৪ বিত্তীয় সেৱা (Financial Services)

দেশৰ জনসাধাৰণক তেওঁলোকৰ আয়ৰ এটা অংশ সঞ্চিত কৰি বিনিয়োগৰ সুবিধা প্ৰদানৰ উদ্দেশ্যে যিবিলাক উদ্যোগ গঢ়ি উঠিছে তাক বিত্তীয় সেৱা খণ্ডৰ প্ৰতিষ্ঠান

বোলা হয়। সহজ ভাষাত যি সেৱা কার্য সঞ্চিত পুঁজি নবীকৰণ ইত্যাদি সকলেবোৰ কার্যৰ লগত জড়িত থাকে তাক বিত্তীয় সেৱা বোলে। বিত্তীয় সেৱাৰ পৰিসৰ অধিক বহল, অপৰিসীম আৰু পৰিৱর্তনীয়। বেংকিং সেৱাক বিত্তীয় সেৱাৰ লগত সামৰি লোৱা হোৱা নাই, কিয়নো দুয়োটাৰে পৃথক পৃথক কার্য পদ্ধতি দেখা যায়। বেংক আৰু বিত্তীয় সেৱাৰ মাজৰ প্ৰধান পার্থক্য হ'ল— বেংকে চলিত জমা (Current Account) চেকৰ সুবিধা (Cheque facility) আৰু ঋণ সৃষ্টিৰ সুবিধা দিয়ে, কিন্তু বিত্তীয় সেৱাই এনেবোৰ সুবিধা প্ৰদান নকৰে। বিত্তীয় সেৱাক দুটা ভাগত ভগাব পাৰি— পুঁজি ভিত্তিক (Fund Based) কার্য আৰু অ-পুঁজিভিত্তিক (Non-Fund Based) কার্য।

পুঁজি ভিত্তিক কার্য


- লিজ (Leasing)
- ভাৰা ক্ৰয় (Hire Purchase)
- ভেন্চাৰ মূলধন (Venture Capital)
- গ্ৰাহক বিত্তায়ন (Consumer Financing)
- নিৰাপত্তাগত অৱলেখন আৰু বিনিয়োগ (Underwriting or investment in securities)
- মুদ্ৰা বজাৰৰ ব্যৱসায় (Dealing with money market)
- বৈদেশিক বজাৰৰ ব্যৱসায় (Dealing with Forex market)
- ৰিয়েল ইষ্টেট বিত্তায়ন (Real Estate Financing)
- হাউছিং বিত্তায়ন (Housing Finance)
- বীমা (Insurance)
- সামূহিক পুঁজি (Mutual Funds)

অ-পুঁজি ভিত্তিক কার্য

অ-পুঁজি ভিত্তিক কার্যত পোনপটীয়া পুঁজিৰ যোগান ধৰাৰ লগত সম্পর্ক নাথাকে যদিও পুঁজিৰ সঠিক ব্যৱহাৰৰ বাবে কিছুমান কার্য সম্পন্ন কৰে। এই কার্যসমূহ হ'ল—

- মার্চেণ্ট বেংকিং (Merchant Banking) (বিলি পৰিচালনা, নিৰাপত্তাৰ পত্ৰৰ উপস্থাপন)
- পদবী পৰিচালনা (Portfolio mannagement)
- উদ্যোগ বিনিয়োগ পৰামর্শ আৰু আঁচনি উপদেষ্টা সেৱা (Instrumental Investment Consultancy and project advisary service) ঃ
- বেংকিং আৰু পর্টফলিঅ' বিনিয়োগ সেৱা (Banking and Portfolio Investment Service)

- বিল বাট্টায়ন (Bill Discounting)
- ফেক্টৰিং (Factoring)
- বিনিয়োগ আৰু তত্ত্বাৱধায়ক সেৱা (Depository & Custodian Services)
- ঋণৰ মান নিৰ্ণায়ণ (Credit Rating Service) ইত্যাদি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ তলৰ তথ্যসমূহৰ শুদ্ধ-অশুদ্ধ বিচাৰ কৰক ঃ

(ক) কোষাগাৰ বিল নিগম-নিকায়ে বিলি কৰে।

(খ) কোম্পানীৰ অংশৰ প্ৰথম বিলি বিক্ৰী বজাৰক প্ৰধান বজাৰ বোলে।

(গ) জি ডি আৰ আমেৰিকান মুদ্ৰা ডলাৰত চিহ্নিত (নিৰ্ধাৰিত) হয়।

জনা উচিত



ভাৰতীয় বিত্তীয় ব্যৱস্থাৰ মৌলিক উপাদানৰ কাৰ্যসমূহ ইংৰাজৰ শাসনৰ দিনৰ পৰাই চলি আহিছিল। স্বাধীনতাৰ পিছত চৰকাৰে দেশৰ অৰ্থনৈতিক বিকাশৰ বাবে বেংকিং পদ্ধতিৰ প্ৰচলনত গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰি উদ্যোগ, কৃষি আৰু ক্ষুদ্ৰ ব্যৱসায় গোটৰ পুঁজিৰ প্ৰয়োজনীয়তা পূৰণৰ বাবে চৰকাৰে কিছুসংখ্যক বিশেষ বিত্তীয় অনুষ্ঠান গঠন কৰে। সমাজৰ পিছপৰা শ্ৰেণীৰ পুঁজি যোগানৰ উদ্দেশ্যে ভাৰত চৰকাৰে ১৯৬৯ চনত ১৪ টা ১৯৮০ চনত ৬ টা প্ৰধান বাণিজ্যিক বেংক ৰাষ্ট্ৰীয়কৰণ কৰে।

১.৮ ইলেক্ট্ৰনিক বেংকিং— অৰ্থ আৰু বৈশিষ্ট্য (ELECTRONIC BANKING - MEANING AND FEATURES

এই শাখাত বেংকত ব্যহৃত আধুনিক যন্ত্ৰ-পাতি সম্পৰ্কে কিছু আভাস দাঙি ধৰা হ'ব। বৰ্তমান বেংকসমূহে অত্যাধুনিক যন্ত্ৰৰ ব্যৱহাৰ তথা কম্পিউটাৰ ব্যৱহাৰ কৰি গ্ৰাহকসকললৈ সহজ আৰু সুবিধাজনক সেৱা আগবঢ়াবলৈ সক্ষম হৈছে। বৰ্তমান সময়ত গ্ৰাহকে বেংক শাখালৈ নোযোৱাকৈ ফোন, ইণ্টাৰনেট আদিৰ সহায়ত ঘৰৰ পৰাই বেংকিং লেনদেন সম্পাদন কৰিব পাৰে। এইদৰে ইলেক্ট্ৰনিক মাধ্যমৰ জৰিয়তে বেংকিং কাৰ্য সম্পাদন কৰাকে ইলেক্ট্ৰনিক বেংকিং বা ই-বেংকিং বোলা হয়। ই-বেংকিং হ'ল এক নতুন ধাৰণা আৰু ই ব্যক্তিগত তথা নিগম প্ৰতিষ্ঠানৰ গ্ৰাহকৰ মাজত জনপ্ৰিয়তা লাভ কৰি আহিছে। আধুনিক যন্ত্ৰৰ ব্যৱহাৰ আৰু ইলেক্ট্ৰনিক কাৰ্যপদ্ধতিৰ ব্যৱহাৰৰ বাবে বৰ্তমান বেংকিং কাৰ্যৰ আধুনিকীকৰণ সম্পৰ্কে আৰু বহুতো নতুন ধাৰণা আহি আছে। ইয়াৰ কেইবিধমান হ'ল— সকলো ঠাইতে বেংকিং (Anywhere Banking), সকলো সময়ৰ বেংকিং (Any time Banking), অনলাইন বেংকিং (Online Banking), ফোন বেংকিং

(Phone Banking), টেলি বেংকিং (Tele-Banking), ব্যক্তি বেংকিং (Personal Banking), ইণ্টাৰনেট বেংকিং (Internate Banking), মোবাইল বেংকিং (Mobile Banking) ইত্যাদি। ইয়াৰ উপৰি গ্ৰাহকৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি বেংকে বহুতো বিত্তীয় উৎপাদন (Financial Products) যেনে— এ টি এম (ATM), দেওনা পত্ৰ (Debit Cards), দেনা পত্ৰ (Credit Cards), ইলেক্ট্ৰনিক চেক (Electronic Chques), ইলেক্ট্ৰনিক কেচ (নগদ) (Electronic Cash) ইত্যাদি।

ই-বেংকিঙৰ বৈশিষ্ট্য (Features of E-Banking)

ব্যৱহাৰৰ সুবিধাসমূহৰ ভিত্তিত ই-বেংকিঙে বহুতো কাৰ্য সমাপন কৰাত সহায় কৰি আহিছে। সেয়েহে ইয়াৰ উপাদানক কেবাটাও ভাগত ভগাব পাৰি। তলত সাধাৰণতে ব্যৱহাৰ হোৱা উপাদান উল্লেখ কৰা হ'ল।

- অনলাইন বিল পৰিশোধ
- এটা বেংকৰ ভিতৰতে, এটা হিচাপৰ পৰা আন এটা হিচাপলৈ টকা সৰবৰাহ
- এটা বেংকৰ পৰা আন এটা বেংকলৈ টকা সৰবৰাহ
- ঋণ পৰিশোধ
- ২৪ ঘণ্টা সেৱাৰ সুবিধা
- ঋণ একাউণ্টৰ লগত জড়িত সকলো পুৰণা তথ্য চোৱা আৰু তাৰ প্ৰতিলিপি ল'ব পৰা সুবিধা
- সময়ৰ ৰাহি
- তৎকালীন সেৱা।

ব্যক্তিগত বিত্ত পৰিচালনাৰ সহায়ক যেনে— ব্যক্তিগত বিত্ত কাৰ্যৰ বাবে তথ্যৰ আমদানি কৰা। কিছুমান অনলাইন বেংক কাৰ্যৰ দ্বাৰা গ্ৰাহকক মূল বেংক বা অন্যান্য প্ৰতিষ্ঠানৰ পৰা তেওঁলোকৰ নিজৰ সকলোবোৰ একাউণ্ট পৰ্যবেক্ষণ কৰিবলৈ দিয়ে।

১.৯ স্বয়ংচালিত টেলাৰ যন্ত্ৰ (AUTOMATED TELLER MACHINE– ATM)

স্বয়ংচালিত টেলাৰ যন্ত্ৰ (ATM) হ'ল কম্পিউটাৰ ব্যৱহৃত এক দূৰসংযোগী পদ্ধতি, য'ত বিত্তীয় প্ৰতিষ্ঠানৰ গ্ৰাহকসকলে প্ৰতিষ্ঠানৰ কৰ্মচাৰীৰ অবিহনে ৰাজহুৱা স্থানৰ পৰা বিত্তীয় লেনদেন সম্পাদন কৰিব পাৰে। অত্যাধুনিক এ টি এম পদ্ধতিত চুম্বক সম্বলিত প্লাষ্টিক এ টি এম কার্ড নাইবা স্মার্ট কার্ডৰ জৰিয়তে গ্ৰাহকে লেনদেন সম্পাদন কৰিব পাৰে। এ টি এম কার্ডসমূহৰ প্ৰতিটোৰে পৃথক নম্বৰ আৰু কিছুমান সাৱধানমূলক তথ্য সন্নিবিষ্ট কৰা থাকে। গ্ৰাহকে ব্যক্তিগত চিনাক্তকৰণ নম্বৰ (পিন নম্বৰ) ব্যৱহাৰ কৰি এই সেৱাৰ গোপনীয়তা ৰক্ষা কৰিব লাগে। এ টি এম ব্যৱহাৰকাৰী গ্ৰাহকে তেওঁলোকৰ একাউণ্টৰ টকাৰ স্থিতি জনাৰ লগতে টকা উঠাই ল'ব পাৰে। এ টি এমক স্বয়ংচালিত বেংকিং যন্ত্ৰ (Automatic Banking Machine), মুদ্ৰা যন্ত্ৰ (Money Machinc), নগদ যন্ত্ৰ (Cash Machine), বেৰৰ ছিদ্ৰ (Hole in the Wall), কেচপইণ্ট

বা বানকোৰ্মট (Cashpoint or Bancomat) বিভিন্ন নামেৰে জনা যায়।

ইংলেণ্ডৰ স্কট জন চেহফার্ড ৰাৰেণে প্ৰথমে এ টি এম আৱিষ্কাৰ কৰিছিল। তেওঁ গা ধুই থকা অৱস্থাত এ টি এম সম্পৰ্কে মনত এটা ধাৰণা উদ্ভাৱন হৈছিল । পৃথিৱীৰ ভিতৰত উত্তৰ লণ্ডনৰ বাৰক্লে (Barclays) শাখাত প্ৰথম ১৯৬৭ চনত এ টি এম ব্যৱহাৰ হৈছিল।

এ টি এমৰ সুবিধা কেৱল বেংকৰ ভিতৰতে সীমাবদ্ধ নাথাকি সকলো ৰাজহুৱা স্থান যেনে— বজাৰ, বিমানবন্দৰ, গেলামাল দোকান, পেট্ৰ'ল পাম্প, গেছ ষ্টেচন, চাহ-ভাতৰ দোকান আৰু অধিকসংখ্যক মানুহ গোট খোৱা অন্যান্য স্থানত পাব পাৰি। ইয়াৰ ওপৰত ভিত্তি কৰিয়ে এ টি এম সেৱাক দুই ভাগত ভগাব পাৰি— চৌহদৰ ভিতৰৰ এ টি এম হ'ল অধিক ক্ষমতাসম্পন্ন বিভিন্ন কার্য সম্পাদন কৰিব পৰা আৰু অধিক ব্যয়বহুল যন্ত্ৰ। এই যন্ত্ৰই বেংক শাখা এটাৰ কার্য সম্পাদন কৰিব পাৰে। চৌহদৰ বাহিৰৰ এ টি এম হ'ল কম ক্ষমতাসম্পন্ন যন্ত্ৰৰ দ্বাৰা ব্যৱহৃত এ টি এম। এই ধৰণৰ যন্ত্ৰসমূহ সাধাৰণতে টকা উঠোৱা আৰু টকাৰ পৰিমাণ সুৰক্ষিকৰণৰ বাবে ব্যৱহাৰ কৰা হয়। ইয়াক বিত্তীয় প্ৰতিষ্ঠান নাইবা স্বাধীন বিক্ৰী সংগঠন (Independent Sales Organisation– ISO)ৰ সহায়ত পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰে। এ টি এম এটাত তলত দিয়া সঁজুলীসমূহ পোৱা যায়।

- চি পি ইউ (CPU) ব্যৱহাৰকাৰীৰ লেনদেন কার্য নিয়ন্ত্ৰণৰ বাবে।
- চুম্বক আৰু চিল (Chip) কার্ড বিডাৰ— গ্ৰাহক চিনাক্তকৰণৰ বাবে।
- পিন পেড
- নিৰাপদ গোপনীয় সাংকেতিক যন্ত্ৰ।
- মুখ্য কার্যকৰী বুটাম নাইবা স্পৰ্শ পর্দা (Functional Key Buttom)
- তথ্য চলা কৰা যন্ত্ৰ (Record Printer)
- ভল্ট (Vault)
- হাউছিং (Housing)

বর্তমানে গ্ৰাহকৰ অধিক চাহিদা বৃদ্ধি তথা কম্পিউটাৰ যন্ত্ৰ সামগ্ৰীৰ মূল্য হ্ৰাস পোৱাৰ বাবদ এ টি এম বহুল ব্যৱহাৰ আৰু ই ব্যক্তিগত কম্পিউটাৰৰ দৰে ব্যৱহাৰ হ'বলৈ ধৰিছে। এতিয়া এ টি এমত মাইক্ৰছফ্ট উইনডোজ (Microsoft Windows) আৰু লিনাক্স (Linex)ৰ পদ্ধতিৰ ব্যৱহাৰ কৰিব পাৰি। যদিওবা ইয়াক সাধাৰণ কম্পিউটাৰৰ নিচিনাকৈ ব্যৱহাৰ কৰিব পাৰি, ই সাধাৰণ কম্পিউটাৰত দেখা দিয়া সমস্যাবোৰৰ পৰা আঁতৰত থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ তলত দিয়াবোৰৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিয়াওক—

(১) এ টি এম মানে —

সকলো সময়ৰ যন্ত্ৰ— (ক) Any time Machine (খ) স্বয়ংচালিত টেলাৰ যন্ত্ৰ

(Automatic Teller Machine) (গ) সকলো ঠাইতে যন্ত্ৰ (Anywhere Machine)
(ঘ) সকলো সময়ৰ মুদ্ৰা (Any time Money)
প্ৰশ্ন নং ৬ঃ ই-বেংকিঙৰ দুটা বৈশিষ্ট্য লিখক।

.....

.....



অনুশীলনী ১.২

আধুনিক যন্ত্ৰ ব্যৱহাৰকাৰী এটা বেংক শাখালৈ গৈ বেংকৰ সেৱা আৰু উৎপাদনৰ তথা সম্বলিত সৰু পুথি এখন সংগ্ৰহ কৰি তাত ব্যৱহাৰ হোৱা বিভিন্ন ইলেক্ট্ৰনিক সেৱা কাৰ্যসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....



১.১০ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

- বিত্ত হৈছে অৰ্থনৈতিক কাম-কাজৰ জীৱন সঞ্জীৱনি স্বৰূপ। ক্ষুদ্ৰ বৃহৎ, আভ্যন্তৰীণ বা বৈদেশিক সকলো অৰ্থনৈতিক কাম-কাজতে ইয়াৰ গুৰুত্ব দেখা যায়। ই মুদ্ৰা আৰু মুদ্ৰাজনিত বিত্তীয় সম্পত্তি/সমীপৰ মুদ্ৰাসমূহক সামৰি লয়।
- মুদ্ৰা, সমীপৰ মুদ্ৰা (Near Money) অন্যান্য বিত্তীয় সম্পত্তি, ইয়াৰ আহিলা আৰু সেইবোৰ বিত্তীয় প্ৰতিষ্ঠান যিবোৰ বিত্তৰ যোগান, ঋণ গ্ৰহণ-প্ৰদান, আৰু বিত্তীয় পৰিচালনাত অংশ লয়, সকলোবাৰক একেলগে বিত্তীয় ব্যৱস্থা বোলা হয়। বৈজ্ঞানিক ভাবধাৰাত এই সকলোবোৰক বিত্তীয় ব্যৱস্থাৰ শাখা বুলি জনা যায়।
- বিত্তায়ন পদ্ধতিত সম্ভাব্য বিনিয়োগকাৰীক পুঁজিৰ জোৰা মৰা আৰু যোগানকাৰীক লাভ প্ৰদানৰ দ্বাৰা যোগানকাৰীসকলক উৎসাহিত কৰা হয়।
- বিত্তীয় পদ্ধতিয়ে পুঁজিৰ যোগান আৰু ইয়াৰ সঠিক ব্যৱহাৰৰ ওপৰত গু ৰুত্ব প্ৰদান কৰে।



১.১১ অধিক জানিবলৈ (FURTHER READINGS)

১) Batra G.S. (2002). Financial services and markets. New Delhi, Deep

and Deep Publication Pvt. Ltd.

২) Mishkin,Frederic S. (2007) Financial Markets and Institutions. New Delhi, Pearson Education Ltd.

৩) Srivastava, R.M. (2009). Management of Indian financial institutions. New Delhi, Himalaya Publishing House.

4) Khan, M. Y. (2007). Indian Financial System. New Delhi. Tata McGraw Hill.

5) Pathak, Bharati V (2006). The Indian Financial System : Markets, institutions and services. New Delhi, Pearson Education Ltd.

১.১২ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰঃ (ক) বিত্ত হ'ল ব্যৱসায় পৰিচালনাৰ এক গুৰুত্বপূৰ্ণ উপাদান

(খ) ব্যক্তি, চৰকাৰ, ব্যৱসায় প্ৰতিষ্ঠান আৰু স্বেচ্ছাসেৱী অনুষ্ঠানে (Non-Government organisations) বিত্ত ব্যৱহাৰ কৰে।

২ নং প্ৰশ্নৰ উত্তৰঃ (ঘ) ষ্টক বিনিয়োগ কেন্দ্ৰ

৩ নং প্ৰশ্নৰ উত্তৰঃ (খ) সাধাৰণ অংশ

৪ নং প্ৰশ্নৰ উত্তৰঃ (ক) মিছা (খ) সঁচা (গ) সঁচা

৫ নং প্ৰশ্নৰ উত্তৰঃ (ক) স্বয়ংচালিত টেলাৰ যন্ত্ৰ

৬ নং প্ৰশ্নৰ উত্তৰঃ (ক) ইলেক্ট্ৰনিক বিল উপস্থাপন আৰু পৰিশোধ।

(খ) বিনিয়োগ আৰু ক্ৰয় আৰু বিক্ৰয়।

১.১৩ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ঃ বিত্তীয় পদ্ধতি বুলিলে কি বুজা যায়? ভাৰতীয় বিত্তীয় ব্যৱস্থাৰ উপাদানসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ঃ ই-বেংকিঙৰ সুবিধাসমূহ লিখক।

প্ৰশ্ন ৩ঃ মুদ্ৰা বজাৰত কি কি আহিলাৰ দ্বাৰা বেহা-বেপাৰ কৰা হয় লিখক।

প্ৰশ্ন ৪ঃ মুদ্ৰা বজাৰ আৰু মূলধনী বজাৰৰ মাজৰ পাৰ্থক্য লিখক।

প্ৰশ্ন ৫ঃ মুদ্ৰা বজাৰৰ আহিলাৰ প্ৰধান উপাদানবোৰ লিখক।

*** ***** ***